**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-01-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

## ***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত এই বছৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ প্ৰদান কৰে।

২। দেশত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যমান সুস্থিৰ ৰখাৰ বাবে কেন্দ্ৰীয় খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে তীক্ষ্ণ দৃষ্টি ৰাখিছে।

৩। অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সমিতিয়ে ৰাষ্ট্ৰীয় ইস্পাত নিগম লিমিটেডক পুনৰোজ্জীৱিত কৰাৰ বাবে ১১ হাজাৰ কোটিৰো অধিক টকাৰ সাহায্যত অনুমোদন জনাইছে।

৪। ৰাছিয়াৰ সেনাবাহিনী কৰ্মৰত ১২জন ভাৰতীয় নাগৰিকে প্ৰাণ হেৰুৱাইছে আৰু ১৬জন এতিয়াও নিৰুদ্দেশ হৈ আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

**আৰু**

৫। অসম প্ৰদেশ বিজেপিৰ পৰৱৰ্ত্তী সভাপতি হিচাপে সাংসদ দিলীপ শইকীয়াক নিৰ্বাচিত কৰা হৈছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত এই বছৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ প্ৰদান কৰে। বিশ্ব দবা চেম্পিয়ন ডি গুকেশ, পেৰিছ অলিম্পিকত দুটাকৈ পদক বিজেতা মনু ভাকৰ, ভাৰতীয় হকী দলৰ অধিনায়ক হৰমনপ্ৰীত সিং আৰু পেৰিছ পেৰালিম্পিকত স্বৰ্ণ পদক বিজেতা প্ৰবীন কুমাৰক মেজৰ ধ্যানচন্দ খেলৰত্ন বঁটা প্ৰদান কৰা হয়। ক্ৰীড়াৰ ক্ষেত্ৰত বিগত ৪ বছৰত আগবঢ়োৱা অনন্য প্ৰদৰ্শনৰ বাবে খেলুৱৈসকলক এই বঁটা প্ৰদান কৰা হয়। একেদৰে ৩২ গৰাকী খেলুৱৈক অৰ্জুন বঁটা প্ৰদান কৰা হয়। অৰ্জুন বঁটা লাভ কৰা খেলুৱৈসকলৰ ভিতৰত – এথলিট জ্যোতি য়াৰাজি আৰু অন্নু ৰাণী, বক্সাৰ নীতু আৰু ছৱিটী, দবা খেলুৱৈ ৰন্তিকা আগৰৱাল, হকী খেলুৱৈ ছালিমা টেটে, অভিষেক, সঞ্জয়, জৰমনপ্ৰীত সিং আৰু সুখজিৎ সিং, পেৰা আৰ্চাৰী খেলুৱৈ ৰাকেশ কুমাৰ, পেৰা এথলিট প্ৰীতি পল, জীৱানজী দীপ্তি, অজিত সিং আৰু শচীন খিলাড়ী অন্যতম।

প্ৰবীন এথলিট ছুচা সিং আৰু প্ৰবীন পেৰা সাতোঁৰবিদ মুৰলীকান্ত পেটকাৰক জীৱনজোৰা সাধনাৰ বাবে অৰ্জুন বঁটাৰে সন্মানিত কৰা হয়। খেল ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছত শ্ৰেষ্ঠ বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰা চণ্ডিগড় বিশ্ববিদ্যালয়ক মৌলানা আবুল কালাম আজাদ বঁটা প্ৰদান কৰা হয়।

একেদৰে পেৰা শ্বুটিঙৰ প্ৰশিক্ষক সুভাষ ৰানা, শ্বুটিং প্ৰশিক্ষক দিপালী দেশপাণ্ডে, হকীৰ প্ৰশিক্ষক সন্দীপ ছাঙৱান, বেডমিণ্টন প্ৰশিক্ষক এছ মুৰুলীধৰণ আৰু ফুটবল প্ৰশিক্ষক আৰমাণ্ডো এগনেলো ক'লাকোক দ্ৰোণাচাৰ্য বঁটা প্ৰদান কৰা হয়।

০০০০০০০

অৰ্থনৈতিক বিষয়ক কেন্দ্ৰীয় মন্ত্ৰীসভা সমিতিয়ে ৰাষ্ট্ৰীয় ইস্পাত নিগম লিমিটেড চমুকৈ আৰ আই এন এলক পুনৰোজ্জীৱিত কৰাৰ বাবে ১১ হাজাৰ ৪৪০ কোটি টকাৰ আৰ্থিক সাহায্যত অনুমোদন জনাইছে। কেন্দ্ৰীয় মন্ত্ৰীসভাই কালি অনুমোদন দিয়া আৰ আই এন এলক পুনৰোজ্জীৱিত কৰাৰ এই সাহায্যৰ বিষয়ে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত প্ৰকাশ কৰে। তেওঁ কয় যে অন্ধ্ৰ প্ৰদেশত থকা আৰ আই এন এলে দেশৰ তীখা খণ্ডত এটা গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। তেওঁ লগতে কয় যে এই সাহায্যৰ ফলত আৰ আই এন এলৰ সকলো কৰ্মচাৰীৰ লগতে কোম্পানীটোৰ সৈতে জড়িত সকলো লোক অৰ্থনৈতিকভাৱে উপকৃত হ'ব।

ooooo

কেন্দ্ৰীয় চৰকাৰে দেশত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য আৰু ইয়াৰ যোগান পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছে। খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ এগৰাকী মুখপাত্ৰই নতুন দিল্লীত এই বিষয়ে প্ৰকাশ কৰি কয়, যে গ্ৰাহকসকললৈ উচিত মূল্যত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী যোগান ধৰাৰ বাবে মন্ত্ৰালয়ে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই ব্যৱস্থাসমূহৰ ভিতৰত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যমান সুস্থিৰ ৰখাৰ বাবে ঘৰুৱা উৎপাদনক উদগণি দিয়াও অন্যতম। মুখপাত্ৰগৰাকীয়ে কয়, যে চলিত বিত্তীয় বছৰত দেশত দাইল আৰু পিঁয়াজৰ উৎপাদন যোৱা বছৰৰ তুলনাত বৃদ্ধি পাব বুলি আশা কৰা হৈছে। দেশত ৰহৰ দাইলৰ উৎপাদন যোৱা বছৰৰ ৩৪ লাখ মেট্ৰিক টনৰ পৰা এই বছৰ ৩৫ লাখ মেট্ৰিক টনলৈ, মগু দাইলৰ উৎপাদন যোৱা বছৰৰ ১১ দশমিক ৫-৪ লাখ মেট্ৰিক টনৰ পৰা এই বছৰ ১৩ দশমিক ৮-৩ লাখ মেট্ৰিক টনলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। এই বছৰৰ খাৰিফ বতৰত পিঁয়াজৰ উৎপাদন যথেষ্ট ভাল হৈছে আৰু ৰবি বতৰতো পিঁয়াজৰ উৎপাদন পূৰ্বৰ তুলনাত বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। অনুকূল বতৰৰ বাবে এই বছৰ দেশত আলুৰ উৎপাদনো পূৰ্বতকৈ বৃদ্ধি পাব বুলি মুখপাত্ৰগৰাকীয়ে সদৰি কৰে।

ooooooo

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি নতুন দিল্লীত ডিজিটেল ভাৰত নিধিৰ অধীনত ফ'ৰ-জি মোবাইল চাইটছত সঞ্চাৰ সাথী মোবাইল এপ্ ৰাষ্ট্ৰীয় ব্ৰডবেণ্ড মিছন ২.০ আৰু ইণ্ট্ৰা চাৰ্কল ৰোমিঙৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানত মন্ত্ৰী সিন্ধিয়াই কয় যে ভাৰত টেলিকম আৰু ডিজিটেল খণ্ডত বিশ্বৰ আগশাৰীৰ দেশ হিচাপে পৰিগণিত হৈছে। দূৰ সংযোগৰ বৈপ্লৱিক শক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰি শ্ৰীসিন্ধিয়াই কয় যে এই খণ্ডটো এতিয়া দেশৰ উন্নয়নৰ বাবে চালিকাশক্তি হৈ পৰিছে। সঞ্চাৰ সাথী পোৰ্টেলৰ সহায়ত এতিয়ালৈকে চুৰি হোৱা ২৫ লাখ ফোনৰ ভিতৰত ১৫ লাখ ফোনৰ সন্ধান পোৱা গৈছে। তেওঁ কয় যে ইউ পি আইৰ জৰিয়তে যোৱা বছৰ দেশত প্ৰায় ২৪৭ লাখ কোটি টকাৰ প্ৰায় ১৭২ বিলিয়ন মূল্যৰ লেনদেন সম্পন্ন হৈছে। তেওঁ লগতে কয় যে সঞ্চাৰ সাথী উদ্যোগটোৱে তত্বাৱধায়ক হিচাপে কাম কৰাৰ লগতে প্ৰতিজন ব্যক্তিৰ সুৰক্ষা নিশ্চিত কৰিব।

ooooooo

৭০-জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া আজি সমাপ্ত হৈছে। এহেজাৰৰো অধিক প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। আজি মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনা বিজেপিৰ শিখা ৰয় আৰু নীৰজ বছোয়াই তেওঁলোকৰ মনোনয়ন পত্ৰ দাখিল কৰিছে। আম আদমী পাৰ্টীৰ অবধ ওজা, ৰাখী বিদলান আৰু বন্দনা কুমাৰীকে ধৰি বহুকেইগৰাকীয়ে আজি অন্তিম দিনা মনোনয়ন পত্ৰ দাখিল কৰে। সোমবাৰে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন।

মনোনয়ন দাখিল প্ৰক্ৰিয়া অন্ত পৰাৰ লগে লগে আম আদমী পাৰ্টী, বিজেপি, কংগ্ৰেছকে ধৰি ৰাজনৈতিক দলৰ প্ৰাৰ্থী আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলে পদযাত্ৰা আৰু ঘৰে ঘৰে বৈঠক অনুষ্ঠিত কৰি প্ৰচাৰ চলাইছে। জ্যেষ্ঠ বিজেপি নেতা অনুৰাগ সিং ঠাকুৰ, দলৰ সাংসদ বাঞ্চুৰী স্বৰাজ আৰু দিল্লী বিজেপিৰ কেইবাগৰাকীও নেতাই আজি দলৰ প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলায়। জ্যেষ্ঠ আপ নেতা তথা পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান আৰু আন নেতাসকলেও যোৱা কেইদিনত ৰাষ্ট্ৰীয় ৰাজধানীখনত ৰোড শ্ব' আৰু পদযাত্ৰাত ভাগ লয়। দিল্লী কংগ্ৰেছৰ সভাপতি দেৱেন্দ্ৰ যাদৱৰ লগতে দলটোৰ অন্যান্য নেতাসকলেও দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ কাৰ্যত ভাগ লয়।

০০০০০০০

ৰাছিয়াৰ সেনাবাহিনীত কৰ্মৰত মুঠ ১২গৰাকী ভাৰতীয় নাগৰিকে প্ৰাণ হেৰুওৱাৰ লগতে আন ১৬গৰাকী এতিয়াও নিৰুদ্দেশ হৈ আছে। আজি নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছৱালে কয় যে কেৰালাৰ বিনিল বাবুৰ মৃত্যু দুৰ্ভাগ্যজনক আৰু মন্ত্ৰালয়ে তেওঁৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। তেওঁ কয় যে অন্য এজন আঘাতপ্ৰাপ্ত ভাৰতীয় নাগৰিকৰ মস্কোৰ হাস্পতালত চিকিৎসা চলি আছে। শ্ৰীজয়ছৱালে কয় যে ৰাছিয়ান সেনাবাহিনীত কৰ্মৰত ৯৬জন ভাৰতীয় নাগৰিক ঘূৰি আহিছে আৰু ৰাছিয়ান সৈন্যই তেওঁলোকক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে। ইপিনে, বংলাদেশৰ পৰিস্থিতি সন্দৰ্ভত মুখপাত্ৰগৰাকীয়ে কয় যে ভাৰতে বাংলাদেশৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক বিচাৰে। তেওঁ কয় যে ভাৰতৰ বৈদেশিক সচিবে বাংলাদেশ ভ্ৰমণ কৰি ভাৰতে ইতিবাচক দিশত আগবাঢ়িব বিচাৰে বুলি পুনৰবাৰ দোহাৰে। মুখপাত্ৰ শ্ৰীজয়ছৱালে জনায় যে আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰূপে নিৰ্বাচিত ডনাল্ড ট্ৰাম্পৰ শপত গ্ৰহণ অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰতক প্ৰতিনিধিত্ব কৰিব।

০০০০০০০

দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া বিনা প্ৰতিদ্বন্দ্বিতাৰে অসম প্ৰদেশ বিজেপিৰ নতুন সভাপতি নিৰ্বাচিত হৈছে। কেন্দ্ৰীয় নিৰ্বাচনী পৰ্যৱেক্ষক গজেন্দ্ৰ সিং শেখাৱটে আজি গুৱাহাটীত বিজেপিৰ প্ৰাক্তন ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা সাংসদ শইকীয়াক অসম প্ৰদেশ বিজেপিৰ নতুন সভাপতি নিৰ্বাচিত হোৱাৰ বিষয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। প্ৰদেশ বিজেপিৰ গুৱাহাটীৰ মুখ্য কাৰ্যালয় - বাজপেয়ী ভৱনত আজি আয়োজিত এটা অনুষ্ঠানত নৱ নিৰ্বাচিত সভাপতি গৰাকীক কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰদেশ বিজেপিৰ বিদায়ী সভাপতি ভৱেশ কলিতাকে ধৰি দলীয় নেতৃবৰ্গই অভিনন্দন জনায়।

০০০০০০০

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি নতুন দিল্লীত ডিজিটেল ভাৰত নিধিৰ অধীনত ফ'ৰ-জি মোবাইল চাইটছত সঞ্চাৰ সাথী মোবাইল এপ্ ৰাষ্ট্ৰীয় ব্ৰডবেণ্ড মিছন ২.০ আৰু ইণ্ট্ৰা চাৰ্কল ৰোমিঙৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানত মন্ত্ৰী সিন্ধিয়াই কয় যে ভাৰত টেলিকম আৰু ডিজিটেল খণ্ডত বিশ্বৰ আগশাৰীৰ দেশ হিচাপে পৰিগণিত হৈছে। দূৰ সংযোগৰ বৈপ্লৱিক শক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰি শ্ৰীসিন্ধিয়াই কয় যে এই খণ্ডটো এতিয়া দেশৰ উন্নয়নৰ বাবে চালিকাশক্তি হৈ পৰিছে। সঞ্চাৰ সাথী পোৰ্টেলৰ সহায়ত এতিয়ালৈকে চুৰি হোৱা ২৫ লাখ ফোনৰ ভিতৰত ১৫ লাখ ফোনৰ সন্ধান পোৱা গৈছে। তেওঁ কয় যে ইউ পি আইৰ জৰিয়তে যোৱা বছৰ দেশত প্ৰায় ২৪৭ লাখ কোটি টকাৰ প্ৰায় ১৭২

বিলিয়ন মূল্যৰ লেনদেন সম্পন্ন হৈছে। তেওঁ লগতে কয় যে সঞ্চাৰ সাথী উদ্যোগটোৱে তত্বাৱধায়ক হিচাপে কাম কৰাৰ লগতে প্ৰতিজন ব্যক্তিৰ সুৰক্ষা নিশ্চিত কৰিব।

০০০০০০০

চীনে আজি সফলতাৰে পাকিস্তানী উপগ্ৰহ এটা মহাকাশলৈ উৎক্ষেপন কৰে। এই উপগ্ৰহটো জিউকোৱান লঞ্চ চেণ্টাৰৰ পৰা উৎক্ষেপন কৰা হৈছে। পি আৰ এছ চি - ই অ'-ওৱান নামৰ উপগ্ৰহটো লং মাৰ্চ-টু-ডি ৰকেটৰ দ্বাৰা বেইজিঙৰ সময় অনুসৰি দুপৰীয়া ১২ বাজি ৭ মিনিটত উৎক্ষেপন কৰা হয় আৰু ই পৰিকল্পিত কক্ষপথত সফলতাৰে প্ৰৱেশ কৰে। ৰকেটটোৱে আন দুটা উপগ্ৰহ টিয়ানলু-ওৱান আৰু লাণ্টান-ওৱানো কঢ়িয়াই লৈ যায়।

০০০০০০০

সমাপ্ত